No. of Printed Pages—4

746 (ASK)

[18–HRGPKAC–M1S (N)]

MA 1st Semester (New Course) Exam., 2018

ASSAMESE

[PGAS (S1) 02]

(অসমীয়া কবিতা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলত দিয়া প্রশ্নসমূহৰ অতি চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) লোকগীতসমূহ কাৰ সম্পদ ?

(ii) 'বাহিৰি' শব্দৰ অর্থ লিখক।

(iii) মাধৱ কন্দলিয়ে ৰচনা কৰা বুলি কোৱা বৈষ্ণৱ কাব্যখনৰ নাম কি ?

(iv) কোনগৰাকী ইংৰাজ কবিয়ে আধ্যাত্মিক ভাৱৰ কবিতা ৰচনা কৰিছিল ?

(v) ৰমণ্যাসিকসকলৰ বাবে কি কবিতাৰ মৌলিক উপাদান ?

(vi) হেমচন্দ্ৰ গোস্বামীয়ে সম্পদনা কৰা কিতাপ এখনৰ নাম উল্লেখ কৰক।

(vii) কোনখন কিতাপৰ বাবে যতীন্দ্ৰনাথ দুৱৰাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(viii) নলিনীবালা দেৱীৰ প্রবন্ধ পুথিখনৰ নাম কি ?

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) কোন চনত 'আৱাহন কাকত'ত দেৱকান্ত বৰুৱাই কবি হিচাপে আত্মপ্রকাশ কৰিছিল ?

(1) ১৯২৫

(2) ১৯২৯

(3) ১৯৩৩

(4) ১৯৩৭

(ii) তলৰ কোনখন হেম বৰুৱাই লিখা কিতাপ নহয় ?

(1) *The August Revolution of Assam*

(2) *The Red River and the Blue Hills*

(3) *Idle Hours*

(4) *The Wasteland*

(iii) তলৰ কোনটো অমূল্য বৰুৱাই লিখা কবিতা নহয় ?

(1) মর্মান্তিক

(2) অৰূপ অচিনা

(3) বিপ্লৱী

(4) আন্ধাৰৰ হাঁহাকাৰ

(iv) তলৰ কোনখন নৱকান্ত বৰুৱাৰ কাব্য-সংকলন নহয় ?

(1) যতি আৰু কেইটিমান স্কেচ্

(2) সম্রাট

(3) কুকুৰ

(4) মোৰ আৰু পৃথিৱীৰ

(c) খালী ঠাই পূৰণ কৰক : 1×4=4

(i) বাণীকান্ত কাকতিয়ে বৰগীতসমূহক _____ বুলি অভিহিত কৰিছে।

(ii) জগতৰ জীৱ অর্থাৎ চলিব পৰা, চলিব নোৱৰা জীৱ, কীট-পতংগৰ মাজত শংকৰদেৱে _____ দেখা পাইছে।

(iii) শ্যামকানু অবিহনে যেনেকৈ গোকুলৰ গোপ-গোপীসকলৰ জীৱন বৃথা, ঠিক তেনেদৰে _____ বিয়োগত মাধৱদেৱৰ জীৱনো বৃথা।

(iv) 'আলো মঞি কি কহবো দুখ' বৰগীতটি _____ ছন্দত ৰচিত।

2. তলৰ যি কোনো **পাঁচটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) অসমীয়া জিকিৰ গীতবোৰক কেইটা ভাগত ভাগ কৰিব পাৰি ?

(b) 'চর্যাপদ'ত কেইবিধ মুখ্য ছন্দৰ প্রয়োগ আছে আৰু কি কি ?

(c) সাহিত্য সমালোচক মহেশ্বৰ নেওগে 'বৰগীত'ৰ কোনকেইটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে ?

(d) অসমীয়া ৰমণ্যাসিক কবিতাৰ কেইটামান লক্ষণ উল্লেখ কৰক।

(e) ৰূপ আৰু ৰীতি ভেদে যতীন্দ্রনাথ দুৱৰাৰ কথা-কবিতাসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু কি কি ?

(f) প্রেমমূলক ৰহস্যবাদ কি ?

3. তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) কামৰূপী লোকগীতৰ চমু পৰিচয় আগবঢ়াওক।

(b) 'চর্যাপদ'ৰ বিষয়বস্তু আৰু দর্শন সম্পর্কে চমুকৈ লিখক।

(c) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ ৰাৱণ চৰিত্রটোৰ বিশ্লেষণ আগবঢ়াওক।

(d) চন্দ্রকুমাৰ আগৰৱালাৰ 'বীণ-বৰাগী'ত ৰমণ্যাসবাদৰ কি কি বৈশিষ্ট্য ফুটি উঠিছে, বুজাই লিখক।

(e) হেমচন্দ্র গোস্বামীৰ কবিতাৰ তিনিটা সুঁতি কি কি, উদাহৰণসহ বহলাই লিখক।

4. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) কথা-কবিতাৰ পৰিচয় আগবঢ়াই যতীন্দ্ৰনাথ দুৱৰাৰ কথা-কবিতা 'শেহত দুয়োটি একতে লীন'ৰ বিষয়বস্তুৰ আলোচনা আগবঢ়াওক।

(b) অসমীয়া ৰহস্যবাদী কবিতাৰ ধাৰাটিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

(c) দেৱকান্ত বৰুৱাৰ কাব্যচিন্তাৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াওক।

(d) 'পোহৰতকৈ এন্ধাৰ ভাল' কবিতাটোৰ বিষয়বস্তুৰ বিশ্লেষণ আগবঢ়াওক।

5. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'বেশ্যা' কবিতাটোৰ মাজেদি কবিগৰাকীৰ সমাজবাদী চেতনা কেনেদৰে প্ৰকাশ পাইছে, উদাহৰণসহ বহলাই আলোচনা কৰক।

(b) নীলমণি ফুকনৰ কবিতাৰ ভাষা সম্বন্ধে আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত কবিতাটোৰ আধাৰত এটি নিবন্ধ প্ৰস্তুত কৰক।

(c) বুদ্ধৰ জ্ঞান আৰু দৰ্শনক 'বোধিদ্ৰুমৰ খৰি' কবিতাটিত কেনেদৰে কাব্য-ৰূপ প্ৰদান কৰা হৈছে, উদাহৰণসহ বুজাই লিখক।

(d) '' 'লখিমী' মানৱ সভ্যতা আৰু জীৱন পৰিক্ৰমাৰ ঐতিহ্য তথা সহজ-সৰল মানুহৰ জীৱনবোধৰ প্ৰতিফলক।'' কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি বহলাই আলোচনা আগবঢ়াওক।

★★★